# বেলশৰত লাচিত বৰফুকন অধ্যয়ন কোষ আৰু ফটো সংগ্ৰহালয় মুকলি জিলা উপায়ুক্তৰ

**আমাৰ খবৰ, বেলশৰ, ২৩ নৱেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান বেলশৰৰ শ্বহীদ স্মৃতি মহাবিদ্যালয়ত কালি জিলা প্ৰশাসনৰ সহযোগত লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি লাচিত বৰফুকন অধ্যয়ন কেন্দ্ৰ আৰু ফটো সংগ্ৰহালয় এটি উদ্বোধন কৰা হয়। এই অধ্যয়ন কেন্দ্ৰ আৰু ফটো সংগ্ৰহালয়টি ফিটা কাটি আনুষ্ঠানিকভাবে উদ্বোধন কৰে নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনে। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ প্ৰাংগণত এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক বিপুল কুমাৰ দাসে আঁত ধৰা সভাখনত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানস বৰঠাকুৰে। সভাখনত নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকনে মহাবিদ্যালয়ৰ এনে প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰাৰ লগতে এই অনুষ্ঠানটো গৱেষণাৰ এক সমল হৈ পৰিব বুলি আশা ব্যক্ত কৰে। উক্ত সভাত পশ্চিম নলবাৰীৰ ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, সংলগ্ন চক্ৰ বিষয়া বেদান্ত বৰুৱা আদিয়ে ভাগ লয়। উদ্বোধনী সভাত উপায়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক লাচিত বৰফুকনৰ ওপৰত ৰচনা লিখি আপলোড কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানটোত শিক্ষক নৱজ্যোতি মিশ্ৰৰ নেতৃত্বত এখন চুটি নাট প্ৰদৰ্শন কৰা হয়। শেষত অধ্যাপক বিপুল কুমাৰ দাসে সকলোৰে শলাগ লৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এফাকি কবিতাৰে অনুষ্ঠানৰ সামৰণি মাৰে।

## পৰ্বতঝোৰাত চাৰিটা গৰুসহ তিনি সৰবৰাহকাৰীক আটক